জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৬৬/২০২৩**

# গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

**দিছপুৰ, ১৪ এপ্ৰিল ঃ** শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত আজি অনুষ্ঠিত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাৰতৰ গণতান্ত্ৰিক ব্যৱস্থাত ন্যায় পালিকাৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি মন্তব্য কৰে। তেওঁ কয় যে ভাৰতবৰ্ষই স্বাধীনতাৰ ৭৫ বছৰ পূৰ্ণ কৰি এতিয়া অমৃতকালৰ যাত্ৰা আৰম্ভ কৰিছে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অমৃতকালত ভাৰতবৰ্ষই বিশ্বগুৰুৰ আসনত অধিস্থিত হোৱাৰ লগতে আত্মনিৰ্ভৰশীল ৰূপত উদ্ভাষিত হোৱাৰ উপৰি দেশৰ পৰম্পৰা আৰু ঐতিহ্য বিশ্বৰ চাৰিওফালে বিয়পি পৰাৰ সপোন ৰচিছে। তেওঁ কয় যে অনাগত ২৫ বছৰত অমৃতকালৰ এই যাত্ৰাত ন্যায়পালিকা, কাৰ্যপালিকা আৰু বিধানপালিকা সকলোৱে এই উদ্দেশ্যে একে দিশেৰে গতি কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে 'ইজ অৱ দুয়িং'ৰ লগতে 'ইজ অৱ জাষ্টিছ'কো গুৰুত্বপূৰ্ণ বিষয় বুলি অভিহিত কৰিছে। অনাগত সময়ত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ন্যায় প্ৰদান ব্যৱস্থাটোক দৰিদ্ৰ আৰু আৰ্তজনক সামৰি অন্ত্যোদয়ৰ লক্ষ্যৰে আগুৱাই নিব লাগিব বুলি তেওঁ কয়। ড° শৰ্মাই লগতে গুৱাহাটী উচ্চ ন্যায়ালয়ে আগন্তুক সময়ছোৱাত ভাৰতীয় ন্যায় পালিকাৰ অগ্ৰগামী যাত্ৰাত এক মহত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলিও আশা প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন এইমছ্ আৰু ৰাজ্যৰ বিভিন্ন স্থানত তিনিখনকৈ চিকিৎসা মহাবিদ্যালয় উদ্বোধনৰ লগতে কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা আজিৰ দিনটো উত্তৰ পূব তথা অসমৰ বাবে এক আনন্দৰ দিন বুলি অভিহিত কৰে।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী উচ্চ ন্যায়ালয় আৰু কামৰূপ মহানগৰ তথা কামৰূপ জিলাৰ সকলো ন্যায়পালিকাৰ আন্তঃগাঁথনিক ৰাজ্য চৰকাৰে একত্ৰিত কৰি গুৱাহাটীত এইবছৰৰ পৰা এক সংহত ন্যায়িক পৰিসৰ বা জুডিচিয়েল চিটি নিৰ্মাণৰ কাম আৰম্ভ কৰিব, য'ত বিভিন্ন ধৰণৰ সুবিধা সন্নিৱিষ্ট হৈ থাকিব। এই পৰিসৰত চেচন ক'ৰ্ট, চি জে এম ক'ৰ্টৰ পৰা হাইক'ৰ্টলৈকে সকলো একেটা স্থানতে থাকিব।

আজিৰ এই অনুষ্ঠানত ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়া, কেন্দ্ৰীয় আইন আৰু ন্যায় দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজু, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হৃষীকেশ ৰয়, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সন্দীপ মেহতা, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকল, অধিবক্তা, ন্যায়িক বিষয়াসকল আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**১৪/৪/২০২৩**